**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 25-05-2025 **Time :** 1845 Hrs.

## **Assamese Evening Bulletin**
## **Headlines**

১। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ-পূবক ভূয়সী প্ৰশংসা।

২। মন কী বাত অনুষ্ঠানৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অপাৰেচন সিন্দূৰৰ সফলতা উদযাপনৰ বাবে বিজেপিৰ ত্ৰিৰংগ যাত্ৰা।

৪। বিশ্বনাথ আৰু শোণিতপুৰ জিলাত দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তৰ সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা।

৪। গোলাঘাট আৰু শিৱসাগত আৰক্ষীৰ অভিযানত ১৩ গৰাকী বাংলাদেশী নাগৰিক আটক।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে চেন্নাই চুপাৰ কিংছৰ ২৩১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত কালি সামৰণি পৰা ৰাইজিং নৰ্থ-ইষ্ট শীৰ্ষ সন্মিলনৰ প্ৰশংসা কৰি উত্তৰ পূৰ্বাঞ্চল বিভিন্ন ক্ষেত্ৰত অভিনৱ বুলি মন্তব্য কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি তেওঁ উত্তৰ-পূবক ভূয়সী প্ৰশংসা কৰে। ছিকিমৰ পৰম্পৰাগত হস্ততাঁত-বস্ত্ৰশিল্পৰ, আধুনিকতাৰ সৈতে সংমিশ্ৰন ঘটাই থলুৱাভাৱে আকৰ্ষণীয় বস্ত্ৰ সামগ্ৰী উৎপাদন কৰা Crafted Fibers নামৰ প্ৰতিষ্ঠানটোৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। এগৰাকী পশু চিকিৎসকৰ উদ্যোগত ভেড়া আৰু শহাপহুৰ নোমৰ পৰা উৎপাদিত ঊণক প্ৰাকৃতিক ৰঙৰ জৰিয়তে আকৰ্ষণীয় উৰা কাপোৰ, মোজা আদি প্ৰস্তুত কৰা এই প্ৰতিষ্ঠানে স্থানীয় লোকসকলৰ দক্ষতা বৃদ্ধি কৰি তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি তুলিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

বাইট

অপাৰেচন সিন্দূৰে সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাগ লোৱাসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই অভিযানৰ সময়ত দেশৰ সশস্ত্ৰ বাহিনীসমূহে প্ৰদৰ্শন কৰা সাহসিকতাৰ শলাগ লয়। সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদীৰ ঘাটিসমূহ স্থিৰ লক্ষ্যৰে আঘাত হানি ধ্বংস কৰা সুনিৰ্দিষ্ট অভিযানক প্ৰশংসা কৰাৰ লগতে তেওঁ কয় যে সম্প্ৰতি সমগ্ৰ দেশেই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দিছে আৰু ইয়াৰ অৱসান ঘটোৱাৰ বাবে বদ্ধপৰিকৰ হৈ পৰিছে। অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নহয়, বৰঞ্চ ই দেশবাসীৰ সাহস আৰু সংকল্পবদ্ধতাৰ প্ৰতিফলন ঘটাইছে বুলি তেওঁ মত প্ৰকাশ কৰে।

দেশৰ ভিন ভিন মহানগৰৰ লগতে সৰু সৰু চহৰ আৰু গাঁওসমূহতো তিৰংগা যাত্ৰাৰ আয়োজন কৰাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সশস্ত্ৰ বাহিনীৰ সন্মানাৰ্থে হাজাৰ হাজাৰ লোক ত্ৰিৰংগ পতাকা লৈ ৰাজপথলৈ ওলাই আহিছে।

অহা ২১ জুনত উদ্‌যাপন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰসঙ্গ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অনুষ্ঠানে জনসাধাৰণক তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰাৰ সৈতে যোগক সাঙুৰি লোৱাৰ বিষয়টো পুনৰ সোঁৱৰাই দিয়ে। এইবেলি তেওঁ বিশাখাপট্টনমত যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলিও শ্ৰীমোদীয়ে জানিবলৈ দিয়ে।

আয়ুৰ্বেদৰ ক্ষেত্ৰত বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ টেড্ৰোছ গেব্ৰেয়েছাছৰ উপস্থিতিত কালি সম্পাদিত বুজাবুজি চুক্তিৰ প্ৰসঙ্গত তেওঁ কয় যে এই চুক্তিয়ে আয়ুষক বিজ্ঞানসন্মত পদ্ধতিৰে সমগ্ৰ বিশ্বৰ বৃহৎ সংখ্যক লোকৰ সৈতে জড়িত হোৱাৰ ক্ষেত্ৰত সহায় কৰিব।

ভাৰত তীববত সীমান্ত আৰক্ষী আই টি বি পিৰ একাংশ সদস্যই বিশ্বৰ সবাতোকৈ কঠিন স্থানত অৱস্থিত শৃংগ মাউণ্ট মাকালুৰ আশে-পাশে থকা বৃহৎ পৰিমাণৰ আৱৰ্জনা সংগ্ৰহ কৰি অঞ্চলটো পৰিস্কাৰ কৰা কাৰ্যক প্ৰশংসা কৰাৰ লগতে মন কী বাত অনুষ্ঠানত তেওঁ আৱৰ্জনাৰ পৰা ব্যৱহাৰযোগ্য সামগ্ৰী উৎপাদনৰ বিষয়েও উল্লেখ কৰে।

দেশৰ পৰিবেশতন্ত্ৰৰ সুৰক্ষাৰ লগতে কৃষি ক্ষেত্ৰ আৰু পৰৱৰ্ত্তী প্ৰজন্মসমূহৰ সুৰক্ষাৰ বাবেও মৌ-মাখিক সুৰক্ষা প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰীৰ মন কী বাত উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন ঠাইত বুথ স্থাপন কৰি জনসাধাৰণৰ বাবে অনুষ্ঠানটো শুনাৰ ব্যৱস্থা কৰা হয়। গুৱাহাটী মহানগৰীৰ বুথসমূহতো বহু লোকে একেলগে অনুষ্ঠান শুনে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰ জিলাৰ বিমানকোঠ মণ্ডলৰ ১৩৯ নম্বৰ বুথত দলীয় নেতৃবৃন্দৰ সৈতে অনুষ্ঠানত ভাগ লয়। কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াৰ সৈতে মহানগৰীৰ শুক্লেশ্বৰ মণ্ডলৰ অন্তৰ্গত ২৯ নম্বৰ ৱাৰ্ডৰ ১৮৩ নম্বৰ বুথত অনুষ্ঠান শুনে। মন কী বাত অনুষ্ঠানৰ পাছতে পাকিস্তানী সন্ত্ৰাসবাদৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি অহা ভাৰতীয় সৈনিকসকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে দেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ নিৰ্ণায়ক ভূমিকাক প্ৰশংসা কৰি বুথসমূহৰ পৰা তিৰংগা যাত্ৰা উলিওৱা হয়। গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে এই যাত্ৰাত অংশ লয়। অপাৰেচন সিন্দূৰৰ জৰিয়তে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ বাবে শলাগ লৈ আজি দেশৰ বিভিন্ন প্ৰান্তত তিৰংগা যাত্ৰা উলিওৱা পৰিলক্ষিত হয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় বিধানসভা সমষ্টিৰ পশ্চিম মণ্ডলৰ অন্তৰ্গত ১১২ নম্বৰ বুথত মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু প্ৰশান্ত ফুকনৰ লগতে কেইবাজনো জ্যেষ্ঠ দলীয় কৰ্মকৰ্তা আৰু স্থানীয় ৰাইজৰ লগত একেলগে প্ৰধানমন্ত্ৰীৰ মন কী বাত শুনে। শ্ৰীসোণোৱালে দেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সুগভীৰ বক্তব্যই প্ৰতিগৰাকী দেশবাসীক সমৃদ্ধ কৰি তোলা বুলি মন্তব্য কৰে।

গোৱালপাৰাতো প্ৰধানমন্ত্ৰীৰ মন কী বাত শুনাৰ পাছত বিজেপিৰ দলীয় কৰ্মীসকলে প্ৰতিটো বুথৰ পৰা তিৰংগা যাত্ৰা উলিয়ায়। জিলাখনৰ মুঠ ৭৯টা বুথৰ পৰা এই যাত্ৰা উলিওৱা হয়।

নগাঁও জিলাতো স্থানীয় বিধায়ক ৰূপক শৰ্মাই তিৰংগা যাত্ৰাত অংশগ্ৰহণ কৰে। জিলাখনৰ কেইবা ঠাইৰ পৰা এই যাত্ৰা উলিওৱা হয়। শতাধিক জনতাই অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত বহু বিশিষ্ট ব্যক্তি, সমাজ কৰ্মী উপস্থিত থাকে।

মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টি কুসুমপুৰত আজি মন্ত্ৰী পীযুষ হাজৰিকাই স্থানীয় ৰাইজৰ লগত মন কী বাত অনুষ্ঠানত উপস্থিত থাকে।

কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কৰৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠানৰ লগতে তিৰংগা যাত্ৰাত অংশগ্ৰহণ কৰে। ভাৰতীয় সৈন্যৰ মনোবল বৃদ্ধি কৰিবলৈ আৰু পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিয়া নেতৃত্বত শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে আয়োজিত এই যাত্ৰাত অংশ লৈ তেওঁ সন্তুষ্টি ব্যক্ত কৰে। শ্ৰীভূমি জিলাতো মন কী বাত অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কাৰ্যসূচীৰ লগতে তিৰংগা যাত্ৰাত ৰাজ্যসভাৰ সাংসদ মিছন ৰঞ্জন দাস প্ৰমুখ্যে কেইবাজনো জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি বিশ্বনাথ জিলাৰ সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতিৰ লগতে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। তেওঁ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ লগত বৈঠকত মিলিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বিশ্বনাথ, বিহালী আৰু গহপুৰ বিধানসভা সমষ্টিত বানপানীৰ সময়ত

মোকাবিলা কৰিবৰ বাবে আগতীয়াকৈ ১ কোটি ৭৫ লাখ টকা মোকলাই দিয়া বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিশ্বনাথৰ বাবে ৭৫ লাখ, বিহালী আৰু গহপুৰৰ বাবে ৫০ লাখকৈ টকা জিলা আয়ুক্তৰ জৰিয়তে মোকলাই দিয়ে। মন্ত্ৰীগৰাকীয়ে এই সভাত জলসম্পদ বিভাগৰো কাম-কাজৰ খতিয়ান লয়। পৰ্যালোচনা বৈঠকখনত সাংসদ ৰঞ্জিত দত্ত, বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি কেইবাজনো জ্যেষ্ঠ চৰকাৰী বিষয়া উপস্থিত থাকে।

ঃবাইটঃ

মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে শোণিতপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়তো সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতিৰ লগতে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অগ্ৰগতি সন্দৰ্ভত এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত বিধায়ক পদ্ম হাজৰিকা, পৃথ্বিৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আৰু কৃষ্ণ কমল তাঁতীৰ লগতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মুখ্য সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠি, জিলা আয়ুক্ত অংকুৰ ভৰালী, আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ আদিকে ধৰি বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। বৈঠকত বান মানচিত্ৰ তৈয়াৰ, পশুধনৰ বাবে খাদ্য সংৰক্ষণ, পৰ্যাপ্ত পৰিমাণৰ ঔষধ আৰু বিদ্যালয় তথা অন্যান্য দুৰ্বল কাঠামোৰ নিৰাপত্তা নিশ্চিত কৰা আদি বিভিন্ন দিশত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে বান পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ শোণিতপুৰ জিলাৰ বাবে আগতীয়াকৈ ১ কোটি ৭৫ লাখ টকা মঞ্জুৰ কৰা হৈছে বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত দেশৰ এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বিজেপিৰ সুপ্ৰশাসন বিভাগে আয়োজন কৰা এই বৈঠকত সুপ্ৰশাসন ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰা হয়। বৈঠকত বিজেপি সভাপতি জগত প্ৰকাশ নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে এন ডি এ শাসিত ৰাজ্যৰ ২০ গৰাকী মুখ্যমন্ত্ৰী আৰু ১৮ গৰাকী উপ মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। বৈঠকত গ্ৰহণ কৰা দুটা প্ৰস্তাৱত ভাৰতীয় সশস্ত্ৰ বাহিনী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অপাৰেশ্বন সিন্দূৰৰ সফলতাৰ বাবে অভিনন্দন জনোৱাৰ উপৰি জাতি পিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰা হয়। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীনাড্ডাই কয়, যে আজি গ্ৰহণ কৰা প্ৰস্তাৱসমূহত প্ৰতিগৰাকী নেতাই ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ সন্ত্ৰাসবাদী ঘাটিসমূহ উৎখাত কৰাৰ ক্ষেত্ৰত দেখুওৱা সাহস আৰু পৰাক্ৰমক প্ৰশংসা কৰিছে। আজিৰ এই বৈঠকত কেন্দ্ৰীয় শাসিত ৰাজ্যসমূহে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০

গোলাঘাট জিলাৰ সীমান্ত আৰক্ষী আৰু মেৰাপানী আৰক্ষীয়ে আজি জিলাখনৰ মেৰাপানীৰ পৰা ছজন বাংলাদেশী নাগৰিকক আটক কৰে। এই লোককেইজনক যোৰহাটৰ বিদেশী ন্যায়াধীকৰণে বিদেশী  বুলি ঘোষণা কৰিছিল। আটকাধীন লোককেইজনৰ ভিতৰত ৩  গৰাকী মহিলা আছে। মেৰাপানী আৰক্ষীয়ে আটাইকেইগৰাকীকে যোৰহাটস্থিত সীমান্ত কোষলৈ প্ৰেৰণ কৰিছে।

শিৱসাগৰ আৰক্ষীয়ে যোৱা নিশা জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই ৭ গৰাকী সন্দেহজনক বাংলাদেশী নাগৰিকক আটক কৰে। আটকাধীন লোককেইজনৰ ভিতৰত দুগৰাকী মহালাও আছে। অৱশ্যে আৰক্ষীয়ে এই সন্দৰ্ভত আনুষ্ঠানিকভাৱে কোনো তথ্য প্ৰকাশ কৰা নাই।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত ডিব্ৰুগড়  বিশ্ববিদ্যালয়ত বিভিন্ন বিষয়ৰ শিক্ষা কেন্দ্ৰ আৰু গৱেষণা  বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অধীনত এশ কোটি টকাৰ অনুদান দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাৰ পৃষ্ঠপোষকতাত ৰাজ্যিক পুজিৰ অধীনতো বিশ্ববিদ্যালয়খনৰ বাবে এশ কোটি টকা অনুদান দিয়া হৈছে। শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে আজি দুয়োটা প্ৰকল্প সন্দৰ্ভত ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সৈতে আলোচনাত মিলিত হয়। তেওঁকয় যে লোক

নিৰ্মাণ বিভাগে দুয়োটা প্ৰকল্পৰ বাবে ইতিমধ্যে নিবিদা আহ্বান কৰিছে আৰু শীঘ্ৰে  প্ৰকল্পৰ কাম আৰম্ভ কৰা হ'ব। এই আন্তঃগাথনি সংযোজনে বিশ্ববিদ্যালয়খনক নতুন মাত্ৰা প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

কাচাৰ আৰক্ষীয়ে শিলচৰৰ সমীপৰ সোনাবাৰী ঘাট বাইপাচ এলেকাত অভিযান চলাই এখন চাৰিচকীয়া বাহনৰ পৰা বুজন পৰিমাণৰ হেৰইন জব্দ কৰাৰ লগতে ৩ জন সৰবৰাহকাৰীক  আটক কৰে। জব্দ কৰা এক কিলোগ্ৰামৰো অধিক হেৰইনৰ বজাৰ মূল্য প্ৰায় চাৰে ছয় কোটি হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। কাচাৰ আৰক্ষীয়ে প্ৰকাশ কৰা মতে বাহনখন মণিপুৰৰ চূড়াচান্দপুৰৰ পৰা ৩ দিন পূৰ্বে ৰাওনা হৈছিল। আৰক্ষীয়ে বিষয়টো সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। এই সন্দৰ্ভত কাচাৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

বাইট

০০০০০

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন আৰু মটক জনগোষ্ঠীয় কেইবাটাও সংগঠনৰ সহযোগত আজি চাবুৱাত ২২৩ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস উদযাপন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি চাবুৱাৰ কয়লাবাৰীত স্থাপন কৰা স্বৰ্গদেউগৰাকীৰ এটা প্ৰতিমুৰ্তি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উন্মোচন কৰে। এই উপলক্ষে চাবুৱাৰ সূৰ্য্যোদয় সংঘৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত দিয়া  ভাষণত শ্ৰীসোণোৱালে স্বৰ্গদেউগৰাকীৰ কৰ্ম আৰু আদৰ্শৰে জাতিক সমৃদ্ধ কৰিবলৈ নিষ্ঠাৰে কাম কৰি যাবলৈ সকলোকে আহ্বান জনায়। এই অনুষ্ঠানত বিধায়ক পোনাকণ বৰুৱা, বিনোদ হাজৰিকা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, মটত স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত মেঘালয়ৰ গাৰোপাহাৰৰ পৰা নামি অহা ঢলে দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালো নদীৰ পাৰ খহাই নিয়াৰ উপৰি বিভিন্ন অঞ্চলত খহনীয়াৰ ভাবুকিৰ সৃষ্টি কৰিছে। গাৰোপাহাৰৰ পৰা নামি অহা ঢলে এটা পথ চিগি পেলোৱাৰ ফলত কালাপানী এলেকাত বিস্তৰ ক্ষতি হৈছে। নৈপৰীয়া অঞ্চলত সৃষ্টি হোৱা খহনীয়াই কালাপানী আৰক্ষী চকীৰ লগতে বিভিন্ন অঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। স্থানীয় লোকসকলে এই সমস্যাৰ সমাধানৰ বাবে সংশ্লিষ্ট সকলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

স্বেচ্ছাসেৱী সংগঠন পথিকৰ উদ্যোগত আজি গুৱাহাটীত ধপাত বিৰোধী আৰু সেউজীয়া জীৱনৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়।  পুৱা চাৰে ছয় বজাত ভাৰতীয় ক্ৰীড়া প্ৰাধীকৰণৰ ষ্টেডিয়ামৰ সন্মুখত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামীয়ে চাইক্লথনৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত কেইবাগৰাকীও সাংবাদিকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে স্বেচ্ছাসেৱী সংস্থাটোৱে বিগত ২১ বছৰ ধৰি কৰ্কট ৰোগৰ লগতে কেইবাটাও দুৰাৰোগ্য ৰোগৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কাম কৰি আহিছে। বিগত বছৰৰ দৰে এইবাৰো সংস্থাটো ধপাত জাতীয় সামগ্ৰীৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। এই পদক্ষেপৰ অংশ হিচাপে অহা ১ জুনত গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০০

সদৌ অসম চৰকাৰী চিকিৎসালয়ৰ অস্থায়ী স্বাস্থ্যকৰ্মী সংস্থাই আজি স্বাস্থ্যকৰ্মীসকলক চৰকাৰে নিৰ্ধাৰণ কৰা নিম্নতম হাৰত দৰমহা প্ৰদানৰ দাবীত এখন সংবাদমেলৰ আয়োজন কৰে। সন্থাটোৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত সাধাৰণ সভাৰ পাছত অনুষ্ঠিত সংবাদমেলত তেওঁলোকে কয় যে যোৱা ১৫ৰ পৰা ২০ বছৰৰো অধিক কাল সামান্য মানধনত স্বাস্থ্যকৰ্মীসকলে সেৱা আগবঢ়াই আহিছে। কৰ্মীসকলে সংবাদ মেলৰ জৰিয়তে চাকৰিৰ নিয়মীয়াকৰণ, ভৱিষ্যনিধিৰ সুবিধা প্ৰদান আদিকে ধৰি কেইবাটাও দাবী উত্থাপন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত **২০০ বছৰৰো অধিক অতিক্ৰম কৰা অসমৰ চাহ উদ্যোগ বিশেষকৈ ক্ষুদ্ৰ চাহ উদ্যোগৰ প্ৰত্যাশা আৰু সম্ভাৱনা** সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ প্ৰযোজনা আৰু উপস্থাপন বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

াই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত চেন্নাই চুপাৰ কিংছে - গুজৰাট টাইটানছক জয়ৰ বাবে ২৩১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেট ধৰি চেন্নাইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৩০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুজৰাটে বাতৰি যুগুতোৱাৰ পৰলৈ ১৫ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০০০

**সমাপ্ত**